জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬৫/২০২২**

# ‘জয়মালা’ নামৰ হাতীটোৰ সন্দৰ্ভত বন বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## ‘জয়মালা’ক ওভতাই অনাৰ বাবে তামিলনাডুলৈ প্ৰেৰণ কৰা হ’ব সঁজাতি দল

**দিছপুৰ, ১ ছেপ্টেম্বৰ ঃ** ‘জয়মালা’ নামৰ অসমৰ পৰা নিয়া এটা হাতী তামিলনাডুত অমানৱীয় অত্যাচাৰৰ সন্মুখীন হোৱা সন্দৰ্ভত একাংশ মাধ্যমত প্ৰকাশিত বাতৰিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে জনতা ভৱনৰ সভা কক্ষত এক বৈঠকত মিলিত হৈ ‘জয়মালা’ৰ ওপৰত হোৱা দুৰ্ব্যৱহাৰৰ বিষয় সম্বন্ধে আলোচনা কৰে।

অসমৰ পৰা তামিলনাডুলৈ লৈ যোৱা জয়মালা নামৰ হাতীটোৰ অৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যে চাৰিজনীয়া সদস্যৰে গঠিত এটা সঁজাতি দল প্ৰেৰণ কৰাৰ বাবে আজিৰ এই বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বন বিভাগৰ অতিৰিক্ত মুখ্য বন সংৰক্ষক হৃদেশ মিশ্ৰৰ নেতৃত্বত অসম কৃষি বিশ্ববিদ্যালয়ৰ পশু চিকিৎসা বিজ্ঞান বিভাগৰ অধ্যাপক পদ্মশ্ৰী ডাঃ কুশল কুমাৰ শৰ্মা, মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, তিনিচুকীয়াৰ জিলা পশু চিকিৎসা আৰু পশুপালন বিষয়া ডাঃ ৰূপজ্যোতি কাকতিক সদস্য হিচাপে লৈ গঠিত হোৱা এই দলটোৱে অহা ২ ছেপ্টেম্বৰত তামিলনাডুলৈ গৈ জয়মালাক অসমলৈ ওভতাই অনাৰ ক্ষেত্ৰত তামিলনাডু চৰকাৰৰ সৈতে আলোচনা কৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই বৈঠকত পৰিৱেশ আৰু বন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (বিশেষ শাখা) হীৰেণ নাথ, প্ৰধান মুখ্য বন সংৰক্ষক তথা বন বাহিনীৰ মুৰব্বী এম কে যাদৱ উপস্থিত থাকে।

**সুঃদঃ/ হেঃশঃ**
**১/০৯/২০২২**